তোমালোকে মৃত লোকসকলক গালি নাপাৰিবা; কাৰণ সিহঁতে নিজৰ কৰ্মফলৰ ওচৰলৈ গৈ উপনীত হৈছে।

আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে কৈছেঃ তোমালোকে মৃত লোকসকলক গালি নাপাৰিবা; কাৰণ সিহঁতে নিজৰ কৰ্মফলৰ ওচৰলৈ গৈ উপনীত হৈছে। [ছহীহ] [(বুখাৰী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই হাদীছটোত স্পষ্ট কৰিছে যে, মৃত লোকসকলক গালি দিয়া আৰু তেওঁলোকৰ সন্মানহানী কৰা হাৰাম। এনেকুৱা কৰ্ম হৈছে বেয়া চৰিত্ৰৰ পৰিচয়। কাৰণ তেওঁলোকে সেই ঠাইত গৈ উপনীত হৈছে, যি স্থানলৈ তেওঁলোকে ইতিপূৰ্বে নিজৰ ভাল-বেয়া আমল প্ৰেৰণ কৰিছিল। আনহাতে এইবোৰ গালি-শপনি সিহঁতৰ ওচৰলৈ গৈ নাপায়; বৰং এইবোৰৰ দ্বাৰা কেৱল জীৱিত মানুহকহে কষ্ট দিয়া হয়।

http://sunnah.global/hadeeth/as/show/5364